# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-12-2024
**Time :** 1340 hrs

*Assamese Midday Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কুৱেইটৰ আমিৰ আৰু যুৱৰাজৰ লগতে দেশখনৰ প্ৰধানমন্ত্ৰীৰ সৈতে সুকীয়া বৈঠকত অংশগ্ৰহণ কৰিব।

২। আমেৰিকা যুক্তৰাষ্ট্ৰই যোৱা নিশা ছানাত ক্ষেপনাস্ত্ৰৰ ভাণ্ডাৰ আৰু কমাণ্ড তথা নিয়ন্ত্ৰণ কেন্দ্ৰ এটাত আকাশমাৰ্গৰ পৰা আক্ৰমণ চলায়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৱসৰ গ্ৰহণ কৰা ভাৰতীয় ক্ৰিকেট তাৰকা ৰবিচন্দ্ৰন অশ্বিনলৈ এখন আবেগিক পত্ৰ প্ৰেৰণ কৰি তেওঁক ধন্যবাদ জনাইছে।

৪। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই আজি চি আৰ পি এফ আৰু আই টি বি পিৰ জোৱানসকলৰ সৈতে নতুন দিল্লীত অনুষ্ঠিত **ফীট ইণ্ডিয়া ছান্‌ডে অন চাইকেল** অভিযানৰ প্ৰথমটো কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

*আৰু*

৫। ভাৰতে ১৯ বছৰ অনুৰ্দ্ধৰ মহিলা টি-২০ এছিয়া কাপৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কুৱেইটৰ আমিৰ শ্বেইখ মেছাল অল-আহমদ অল-জাবেৰ আৰু যুৱৰাজ শ্বেইখ আহমদ অল-আব্দুল্লাহ অল-ছাবাহৰ সৈতে সুকীয়া বৈঠকত অংশগ্ৰহণ কৰিব। তদুপৰি তেওঁ কুৱেইটৰ প্ৰধানমন্ত্ৰীৰ সৈতে আন এখন প্ৰতিনিধি পৰ্যায়ৰ বৈঠকতো ভাগ ল'ব। এই বৈঠকৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীক কুৱেইটৰ ৰাজধানী চহৰখনৰ বায়ান পেলেচত আয়োজিত বিশেষ অনুষ্ঠানত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদী কুৱেইটৰ আমিৰগৰাকীৰ আমন্ত্ৰণ মৰ্মে কালি দুদিনীয়া ভ্ৰমণসূচীৰে পশ্চিম এছিয়াৰ দেশখনত উপস্থিত হয়। উল্লেখযোগ্য যে, বিগত ৪৩ বৰ্ষত কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ এয়া প্ৰথমটো কুৱেইট ভ্ৰমণ। প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি তেওঁৰ ভ্ৰমণৰ প্ৰথম দিনটোত দেশখনত ভাৰতীয় মূলৰ লোকসকলে আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ভাগ লৈ তেওঁ অহা মাহত আয়োজন কৰা প্ৰবাসী ভাৰতীয় দিৱস আৰু মহাকুম্ভ মেলাৰ কাৰ্যসূচীত ভাগ লোৱাৰ বাবে প্ৰবাসী ভাৰতীয়সকলক আমন্ত্ৰণ জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে কুৱেটৰ মীনা আব্দুলা অঞ্চলৰ এটা শ্ৰমিক শিৱিৰ পৰিদৰ্শন কৰি ইয়াত কৰ্মৰত ভাৰতীয় শ্ৰমিকসকলৰ সৈতে মত-বিনিময় কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰিব। কাইলৈ দেশৰ ৪৫খন ঠাইত আয়োজিত এই নিযুক্তি মেলাত তেওঁ সম্বোধন কৰিব। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগত খালী পদসমূহত এই নিযুক্তি দিয়া হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱ সমাজক কৰ্মসংস্থাপন প্ৰদানত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছিল। সেই প্ৰতিশ্ৰুতিৰ অংশ হিচাপে এই নিযুক্তি মেলাৰ আয়োজন কৰা হৈছে। যুৱ সমাজক ৰাষ্ট্ৰ নিৰ্মাণত অংশগ্ৰহণ আৰু আত্মনিৰ্ভৰশীল কৰাৰ ক্ষেত্ৰত এই নিযুক্তিয়ে সহায় কৰিব। সমগ্ৰ দেশতে নিৰ্বাচিত প্ৰাৰ্থীসকলক গৃহ পৰিক্ৰমা, ডাক বিভাগ, উচ্চ শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, বিত্ত সেৱা আদি বিভাগসমূহৰ বাবে এই নতুন নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই যোৱা নিশা ছানাত য়েমেনৰ হুতী বিদ্ৰোহী গোটৰ দ্বাৰা পৰিচালিত ক্ষেপনাস্ত্ৰৰ ভাণ্ডাৰ আৰু কমাণ্ড তথা নিয়ন্ত্ৰণ কেন্দ্ৰ এটাত আকাশমাৰ্গৰ পৰা আক্ৰমণ চলায়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত দেশখনৰ চেণ্ট্ৰেল কমাণ্ড বাহিনীয়ে এই তথ্য সদৰি কৰে। বাৰ্তাটোত লগতে প্ৰকাশ কৰা মতে হুতী বিদ্ৰোহী গোটে আক্ৰমণৰ উদ্দেশ্যে প্ৰেৰণ কৰা কেইবাটাও ড্ৰোণ আৰু জাহাজ ধ্বংসী ক্ষেপনাস্ত্ৰ এটাও বাহিনীটোৱে লোহিত সাগৰৰ ওপৰত ধ্বংস কৰে। আনহাতে এই আক্ৰমণৰ পৰৱৰ্তী সময়ত মধ্য ইজৰাইলত হুতী বিদ্ৰোহীয়ে বেলিষ্টিক ক্ষেপনাস্ত্ৰৰে চলোৱা অভিযানত তেল আভিভত কমেও কুৰিগৰাকী লোক আহত হয় বুলি বিদ্ৰোহী গোটটোৱে দাবী কৰিছে। ইয়াৰ সমান্তৰালভাৱে লোহিত সাগৰৰ ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন যুঁজাৰু জেট বিমান মিত্ৰপক্ষৰ গোলাবৰ্ষণত দুৰ্ঘটনাক্ৰমে ধ্বংসপ্ৰাপ্ত হয়। অৱশ্যে এই ঘটনাত বাহিনীটোৰ নৌ সেনাৰ দুয়োজন নাৱিককে সুকলমে উদ্ধাৰ কৰা হৈছে। ইয়াৰে এজন সামান্য পৰিমাণে আহত হোৱা বুলি প্ৰকাশ পাইছে।

উল্লেখযোগ্য যে, যোৱা বছৰৰ নৱেম্বৰৰ পৰাই হুতী বিদ্ৰোহীয়ে ইজৰাইলৰ বিভিন্ন নগৰ-মহানগৰত ৰকেট আৰু ড্ৰোণেৰে চলোৱা আক্ৰমণ বৃদ্ধি কৰাৰ লগতে লোহিত সাগৰত ইজৰাইলৰ জাহাজৰ চলাচল বিঘ্নিত কৰি আহিছে। বিদ্ৰোহী গোটটোৰ এনে সক্ৰিয়তা প্ৰতিহত কৰাৰ উদ্দেশ্যে আমেৰিকা আৰু ব্ৰিটেইনৰ সংযুক্ত নৌবাহিনীয়ে চলিত বৰ্ষৰ জানুৱাৰী মাহৰে পৰা হুতী বিদ্ৰোহীৰ বিভিন্ন স্থানত আকাশমাৰ্গেৰে নিয়মীয়াকৈ আক্ৰমণ সংঘটিত কৰি আহিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়াকৈ অৱসৰ গ্ৰহণ কৰা ভাৰতীয় ক্ৰিকেট তাৰকা ৰবিচন্দ্ৰন অশ্বিনলৈ এখন আবেগিক পত্ৰ প্ৰেৰণ কৰি তেওঁক ধন্যবাদ জনাইছে। দেশৰ আগশাৰীৰ অফ স্পিনাৰগৰাকীয়ে যোৱা ১৮ ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত বিগত সময়ছোৱাত তেওঁ ক্ৰিকেট আৰু দেশলৈ আগবঢ়াই অহা দৃষ্টান্তমূলক বৰঙণিৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে খেলুৱৈগৰাকীৰ শলাগ লয়।

উল্লেখযোগ্য যে সম্প্ৰতি চলি থকা বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ মাজভাগতেই খেলুৱৈগৰাকীয়ে আকস্মিকভাৱে কৰা অৱসৰ গ্ৰহণৰ ঘোষণাই সমগ্ৰ বিশ্বতে তেওঁৰ অনুগামীসকলক হতচকিত কৰি তুলিছে। অশ্বিনলৈ লিখা আন্তৰিকতাপূৰ্ণ পত্ৰখনত তামিলনাডুৰ স্পীনাৰগৰাকীয়ে খেলবিধৰ প্ৰতি প্ৰদৰ্শন কৰা অতুলনীয় নিষ্ঠা তথা তেওঁৰ অভিলেখ ভংগকাৰী প্ৰদৰ্শনক ভূয়সী প্ৰশংসা কৰি খেলুৱৈগৰাকীৰ অৱসৰৰ ঘোষণাক ক্ৰিকেটৰ বলিঙৰ কেৰম বল শৈলীৰ সৈতে তুলনা কৰে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৭৬৫টা উইকেট

দখল কৰাৰ কৃতিত্বৰ লগতে ভালেমান টেষ্ট খেলত প্লেয়াৰ অব দা ছিৰিজ খিতাপ অৰ্জন কৰা অশ্বিনৰ উদ্ভাৱনমূলক বলিং কৌশল আৰু প্ৰতিপক্ষক অৱদমিত কৰি ৰাখিব পৰা সামৰ্থ্যৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেওঁক ভূয়সী প্ৰশংসা কৰে। প্ৰতিপক্ষৰ বেটাৰসকলক কৌশলেৰে কাবু কৰা অশ্বিনৰ দক্ষতাপূৰ্ণ বলিঙৰ বাবে ক্ৰিকেটপ্ৰেমীসকলে আগ্ৰহেৰে অপেক্ষা কৰি থকা আৰু এনে বিৰল সামৰ্থ্যৰ জৰিয়তে খেলুৱৈগৰাকী দেশৰ বিজয়ৰ অন্যতম হোতা হৈ পৰাৰ বিষয়টোও তেওঁ আনন্দৰে ৰোমন্থন কৰে।

০০০০০

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই আজি কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী - চি আৰ পি এফ আৰু ভাৰত-তীববত সীমান্ত আৰক্ষী - আই টি বি পিৰ জোৱানসকলৰ সৈতে নতুন দিল্লীত অনুষ্ঠিত **ফীট ইণ্ডিয়া ছানডে অন চাইকেল** অভিযানৰ প্ৰথমটো কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে জোৱানসকলৰ সৈতে মেজৰ ধ্যানচান্দ ৰাষ্ট্ৰীয় ষ্টেডিয়ামৰ পৰা ৰাইছিনা হিললৈ এই চাইকেল অভিযানত অংশ লয়।

সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমান্দাভিয়াই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানত সমগ্ৰ জাতিটোৱে নিজকে সবল কৰি ৰাখিবলৈ ফীট ইণ্ডিয়া অভিযানত যোগদান কৰিছে। দেশৰ এহেজাৰ ১০০টা বিভিন্ন স্থানত এই অভিযানৰ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মন্ত্ৰী মাণ্ডাভিয়াই কয় যে চাইকেল চলোৱাটো উত্তম ব্যায়াম আৰু ই মানুহক নিৰোগী তথা সবল কৰি ৰখাৰ লগতে প্ৰদূষণৰ সমস্যাৰো সমাধান দিব পাৰে। তেওঁ এই অভিযানত বহুসংখ্যক লোকৰ অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে।

০০০০০

ছিৰিয়াৰ গৃহযুদ্ধৰ ১৩ বছৰ পাছত ডামাছকাছত কাটাৰে দূতাবাস আনুষ্ঠানিকভাৱে পুনৰ মুকলি কৰিছে। যোৱা ৮ ডিচেম্বৰত পূৰ্বৰ ৰাষ্ট্ৰপতি বাছাৰ অল আছাদ চৰকাৰৰ পতনৰ পাছত নতুন অস্থায়ী চৰকাৰৰ নেতৃবৰ্গৰ সৈতে বৈদেশিক সম্পৰ্ক বৃদ্ধি কৰিবলৈ আঞ্চলিক আৰু পশ্চিমীয়া প্ৰতিনিধিসকলৰ ছিৰিয়ালৈ ভ্ৰমণ বৃদ্ধি হোৱাৰ পাছতে কাটাৰে এই দূতাবাস পুনৰ মুকলি কৰিছে।

এসপ্তাহ পূৰ্বে কাটাৰৰ এটা প্ৰতিনিধি দলে ডামাছকাছ ভ্ৰমণ কৰিছিল। কাটাৰৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ মাজেদ অল আনচাৰিয়ে কয় যে প্ৰতিনিধি দলটোৱে ছিৰিয়াৰ চৰকাৰৰ প্ৰতিনিধিসকলক সাক্ষাৎ কৰি দেশখনৰ জনসাধাৰণৰ শান্তি, নিৰাপত্তা আৰু সমৃদ্ধি স্থাপনত সহায় আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। ৰাষ্ট্ৰপতি বাছাৰ অল আছাদৰ পতনৰ পাছত ডামাছকাছত কূটনৈতিক সম্পৰ্ক পুনৰ স্থাপন কৰা তুৰস্কৰ পাছতে কাটাৰ হৈছে দ্বিতীয়খন দেশ।

০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত আজি বায়ুৰ গুণগত মান অতি নিম্নমুখী হৈ পৰিছে। পুৱাৰ ভাগত গড় বায়ুৰ গুণাগুণ সূচাংক এ কিউ আই আছিল ৩৯৫। ৰাষ্ট্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ তথ্য মতে ৰাজধানীখনৰ মুন্দকা অঞ্চলত এ কিউ আই ৪৩৮, ৰাজিপুৰত ৪৪১, আনন্দ বিহাৰ অঞ্চলত ৪৩৪, আলীপুৰত ৪১৬, পি কে পুৰামত ৪১৫, দ্বাৰকা চেক্টৰত ৪৩৯ ৰেকৰ্ড কৰা হৈছে।

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুদিনত ৰাষ্ট্ৰীয় ৰাজধানী এলেকাত পুৱা আৰু নিশাৰ ভাগত ধোঁৱা আৰু ঘন কুঁৱলীয়ে আৱৰি ৰাখিব বুলি পূৰ্বাভাষ প্ৰকাশ কৰিছে।

০০০০০

বিভিন্ন শৈক্ষিক পাঠ্যক্ৰমসমূহ শিক্ষাৰ্থীসকলে আঞ্চলিক ভাষাতো যাতে লাভ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি কালি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে। এই বছৰ চৌধুৰী চৰণ সিং বঁটাৰ আৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কৃষক আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত কাম কৰি থকা লোকসকলক সন্মান যচাৰ উদ্দেশ্যে এই বঁটাৰ প্ৰৱৰ্তন কৰা হৈছে বুলি উল্লেখ কৰে।

ooooo

ভাৰতে ১৯ বছৰ অনুৰ্দ্ধৰ মহিলা টি-২০ এছিয়া কাপৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। কোৱালালামপুৰত আজি অনুষ্ঠিত ফাইনেল খেলখনত ভাৰতে বাংলাদেশক ৪১ ৰাণত পৰাস্ত কৰে। টছত জিকি বাংলাদেশে প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনোৱাত ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১১৭ ৰাণ সংগ্ৰহ কৰে। গোংগাড়ী তৃষাই সৰ্বাধিক ৫২ ৰাণ কৰে। প্ৰত্যুত্তৰত বাংলাদেশ দলটোৱে ১৮ অভাৰ ৩ তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৭৬ ৰাণহে কৰিবলৈ সক্ষম হয়। ভাৰতৰ হৈ আয়ুষী শুক্লাই সৰ্বাধিক তিনিটা উইকেট লাভ কৰে। পাৰুনিকা শিশোদিয়া আৰু চোনম যাদৱে প্ৰত্যেকেই দুটাকৈ উইকেট লাভ কৰে। ভাৰতৰ গোংগাড়ী তৃষালৈ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

ooooo

**সমাপ্ত**